ৰামৰাভালুগাভাদে

বনাম

চাতাবা গাভাডু গাভাডে (মৃত)

আইনী প্ৰতিনিধি আৰু অন্য এজনৰ জৰিয়তে

১৯৯৬ চনৰ ১৮ নৱেম্বৰ

মহামান্য ন্যায়াধীশ: কে ৰামস্বামী আৰু জি.বি. পট্টনাইক

সময়সীমা:

আপীল- চলি থকা আইনী কাৰ্য্যবিধিত আইনী প্ৰতিনিধিসকলক অন্তৰ্ভুক্ত কৰিবলৈ আবেদন - তামাদী দোষেৰে দোষিত হোৱা বাবে খাৰিজ কৰা হ'ল- আপীল খাৰিজ কৰা হয় -ৰায় প্ৰদান কৰা হয় যে আবেদন দাখিল কৰোতে পলম হোৱা কথাটো ক্ষমা নকৰি নিম্ন আদালতে ভুল কৰিছিল- উপযুক্ত আইনী পৰামৰ্শৰ অভাৱৰ বাবে হোৱা পলম - বিলম্ব হোৱা কাৰ্য্য ক্ষমা কৰা হৈছে- আপীল খাৰিজ কৰা ৰায় বাতিল কৰা হ'ল- আপীলৰ বস্তুনিষ্ঠ গুণৰ ওপৰত ভিত্তি কৰি বিচাৰ কৰা হ'ব ।

**দেৱানী আপীল অধিকাক্ষেত্ৰ:** ১৯৯৬ চনৰ দেৱানী আপীল নম্বৰ ১৫০৮৫

১৯৯১ চনৰ চি.আৰ.এ.নং ৬৩২ ত বোম্বাই উচ্চ ন্যায়ালয়ৰ ৮.১২.৯৪ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা ।

এ এচ ভাচমে- আপীলকাৰীৰ বাবে।

ভি.বি.যোশী, আলোক সিং আৰু উমেশ ভাগৱত- উত্তৰদাতাসকলৰ বাবে।

আদালতৰ তলত দিয়া আদেশটো প্ৰদান কৰা হয়:

বিলম্ব হোৱা কাৰ্য্য ক্ষমা কৰা হৈছে।

অনুমতি প্ৰদান কৰা হৈছে।

আমি দুয়োপক্ষৰ বিজ্ঞ অধিবক্তাৰ যুক্তি শুনিলো।

বিশেষ অনুমতিৰ দ্বাৰা দাখিল কৰা এই আপীল ১৯৯৪ চনৰ ৪ ডিচেম্বৰত ব'ম্বে উচ্চ ন্যায়ালয়ৰ ৰায়ৰ পৰা উদ্ভৱ হৈছিল, য'ত দেৱানী পুনৰীক্ষণ গোচৰ নম্বৰ ৬৩২/৯১ নাকচ কৰা হৈছিল।

স্বীকাৰ কৰা স্থিতিটো হ'ল যে আবেদনকাৰীৰ খুৰাকৰ মৃত্যু হৈছিল যেতিয়া নিয়মীয়া দেৱানী গোচৰ নং ৫১/৬৫, চান্দগড়ৰ জ্যেষ্ঠ বিভাগৰ দেৱানী ন্যায়াধীশৰ আদালতত বিচাৰাধীন আছিল। কাৰণ আপীল বিচাৰাধীন অৱস্থাত খুৰাকৰ মৃত্যু হৈছিল, সেয়েহে ১৯৬৭ চনৰ ৪ আগষ্টত আপীল খাৰিজ কৰা হৈছিল। উচ্চ ন্যায়ালয়ত দাখিল কৰা দেৱানী পুনৰীক্ষণ নং ৬৩২/৯১ কো ১৯৯৪ চনৰ ৮ ডিচেম্বৰৰ আদেশেৰে খাৰিজ কৰা হয়। আইনী প্ৰতিনিধিসকলক আইনী কাৰ্য্যবিধিত অন্তৰ্ভুক্ত কৰিবলৈ আবেদন দাখিল কৰা হৈছিল যদিও আবেদনকাৰীয়ে আবেদন দাখিল কৰাত পলম হোৱাৰ সন্তোষজনক ব্যাখ্যা দিব নোৱাৰাৰ বাবে আবেদন খাৰিজ কৰা হৈছিল। সেয়েহে বিশেষ অনুমতিৰ জৰিয়তে এই আপীল দাখিল কৰা হৈছে।

যিহেতু আপীলকাৰীজন এজন নিৰক্ষৰ কৃষক , সেয়েহে তেওঁৰ আইনী পৰামৰ্শদাতাই তেওঁৰ হৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল আৰু তেওঁক সঠিক নিৰ্দেশনা আৰু পৰামৰ্শ আগবঢ়াব লাগিছিল। যিহেতু আপীলকাৰীৰ অধিবক্তাই পৰ্যাপ্ত নিৰ্দেশনা দিয়া নাছিল, সেয়েহে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাত পলম হৈছিল। সেয়েহে আপীল দাখিল কৰোতে বিলম্ব হোৱা কাৰ্য্যক ক্ষমা নকৰাৰ সিদ্ধান্ত লৈ উচ্চ ন্যায়ালয়ে ভুল কৰিছিল। আমি লক্ষ্য কৰিছো যে আপীল বাতিল কৰা কাৰ্য্যক খাৰিজ কৰিবলৈ কোনো আবেদন দাখিল কৰা হোৱা নাছিল আৰু সেয়েহে আপীল খাৰিজ কৰা হ'ল। যিহেতু বিলম্ব হোৱা কাৰ্য্য ক্ষমা কৰা হৈছে, সেয়েহে আপীল খাৰিজ কৰাৰ পূৰ্বৰ সিদ্ধান্তও বাতিল কৰা হৈছে।

সেই অনুসৰি আপীল মঞ্জুৰ কৰা হ’ল। এই আদেশ দিয়াৰ পৰা ৬ মাহৰ ভিতৰত আপীল আদালতক গোচৰটো নিষ্পত্তি কৰিবলৈ আদেশ দিয়া হ’ল। খৰচৰ বিষয়ে কোনো আদেশ নাই।

আপীল মঞ্জুৰ কৰা হ’ল।

অনুবাদ: মৃণাল কুমাৰ ভট্টাচাৰ্য্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়